# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
## ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

AJBEC
অজাবি শিক্ষা সংসদ

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020

Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com


প্ৰসংগ ঃ এজবেক/০০৯/০১/২০২৪-২৫
Ref :

তাৰিখ ঃ ২৩-০৬-২০২৪
Date :

### অসম জাতীয় বিদ্যালয়ত গণিত আৰু বিজ্ঞান বিষয়ৰ বিশেষ শিক্ষক প্ৰশিক্ষণ

**নুনমাটি, গুৱাহাটী, ২৩ জুন, ২০২৪ ঃ** যোৱা ২২ আৰু ২৩ জুন তাৰিখে অসম জাতীয় বিদ্যালয়, নুনমাটি চৌহদত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত দুদিনীয়া কাৰ্য্যসূচীৰে দশম শ্ৰেণীৰ বিজ্ঞান বিষয়ৰ পাঠ্যক্ৰম, প্ৰশ্নকাকত আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰস্তুতি বিষয়ত এক প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত ১৮ খন জিলাৰ সমন্বয়ৰক্ষী সমিতিসমূহৰ পৰা ৪০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে। উক্ত প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে অসম জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষ পংকজ দত্ত, বিহালী ডিগ্ৰী কলেজৰ সহকাৰী অধ্যাপক ড°ৰাতুল চন্দ্ৰ নাথ আৰু বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই। প্ৰশিক্ষণৰ প্ৰথম দিনা অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধ্যক্ষ শ্ৰীযুত ৰমেশ চান্দ জৈন বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে। শ্ৰীযুত জৈনে তেখেতৰ ভাষণত এনে প্ৰশিক্ষণৰ প্ৰয়োজন সম্পৰ্কে আলোকপাত কৰে। প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ কাৰ্য্যকৰী সভাপতি শ্ৰীযুত দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে অংশ গ্ৰহণৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰে।

ইতিপূৰ্বে যোৱা ৮ আৰু ৯ জুন তাৰিখে দশম শ্ৰেণীৰ গণিত বিষয়ৰো এটি অনুৰূপ প্ৰশিক্ষণ অনুষ্ঠিত হৈ যায়। এই প্ৰশিক্ষণত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত ২২ খন জিলাৰ সমন্বয়ৰক্ষী সমিতিসমূহৰ পৰা ৬৬ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে। এই প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ঘনশ্যাম মেধি, অসম জাতীয় বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী শ্ৰীযুতা গীতাঞ্জলী দেৱী, শোণিতপুৰ জিলাৰ তেজপুৰস্থিত দৰং কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড°ৰামচৰণ ডেকা আৰু গুৱাহাটীস্থ মাৰিয়া পাব্লিক স্কুলৰ শিক্ষক ড° মুনীন্দ্ৰ মজুমদাৰে। প্ৰশিক্ষণৰ প্ৰথম দিনা অসম মাধ্যমিক শিক্ষা পৰিষদৰ সচিব শ্ৰীযুত নৰনাৰায়ণ নাথ মুখ্য অতিথি হিচাপে উপস্থিত থাকি দশম শ্ৰেণীৰ প্ৰশ্নকাকত আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰস্তুতিৰ বিষয়ে প্ৰশিক্ষণৰ প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰে।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়